**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-10-2024
**Time :** 12-05 Hrs.

***Assamese Bulletin***
**-----------------------------**

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে পৰহিলৈ গুৱাহাটীত উপস্থিত হৈ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজ গুৱাহাটীৰ একবিংশ আন্তঃৰাষ্ট্ৰীয় সমাৱৰ্তনত অংশ ল'ব। তেওঁ লগতে ৰাজভৱনলৈও যোৱাৰ কথা আছে।

0000000

অহা ২৭ অক্টোবৰত অনুষ্ঠিত হ'বলগীয় চতুৰ্থবৰ্গৰ পৰীক্ষা সন্দৰ্ভত আজি চতুৰ্থবৰ্গৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধ্যক্ষ তথা অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্তীয়ে এখন সংবাদ মেল সম্বোধন কৰে। সংবাদ মেলখনত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈনৰ লগতে আয়ুক্ত সচিব তথা নিযুক্তি আয়োগৰ সদস্য জয়ন্ত নাৰ্লিকাৰকে ধৰি অন্যান্য বিষয়াসকলো উপস্থিত থাকে।

0000000

ধুবুৰীৰ বৰলুইতত বিগত কেবাদিনৰ পৰা ইলিছ মাছৰ উজান উঠা দেখিবলৈ পোৱা গৈছে। সাধাৰণতে ধুবুৰী জিলাত এইবিধ মাছ দেখিবলৈ পোৱা নাযায় যদিও এইবাৰ মাছমৰীয়াসকলৰ জালত প্ৰচুৰ পৰিমাণে লাগি ধৰা দেখিবলৈ পোৱা গৈছে। উল্লেখযোগ্য যে প্ৰতি বছৰে মাৰ্চ আৰু অক্টোবৰ মাহত ১০-১২ দিনৰ বাবে বৰলুইতত ইলিছৰ উজান উঠে। হেৰিং প্ৰজাতিৰ এই সাগৰীয় মাছে কণী দিবলৈ মাৰ্চ আৰু অক্টোবৰ মাহত জাকে জাকে আহি মোহনাৰে বৰলুইতত প্ৰৱেশ কৰে। ধুবুৰীত বৰ্তমানে ৫০০ গ্ৰাম ওজৰ তলৰ ইলিছ মাছ প্ৰতি কেজিত ৪০০ৰ পৰা ৫০০ টকা দৰত বিক্ৰী হৈ থকাৰ বিপৰীতে  ৫০০ গ্ৰাম ওজনৰ ওপৰৰ ইলিছ মাছৰ প্ৰতি কেজিত ৭০০ টকাৰ পৰা আৰম্ভ কৰি এহেজাৰ ৪০০ টকা দৰত বিক্ৰী হৈ আছে। ইপিনে শেহতীয়াকৈ কেৱল গুৱাহাটী বা ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে পশ্চিমবংগলৈ ধুবুৰীৰ পৰা ইলিছ মাছ ৰপ্তানি কৰি থকা হৈছে বুলি জানিব পৰা গৈছে।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত মানসিক স্বাস্থ্যৰ যতন সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰিব। অনুষ্ঠানত মানসিক ৰোগৰ চিকিৎসক ডাঃ জয়ন্ত দাস সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। আগ্ৰহী শ্ৰোতাই অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰত ফোন কৰি তেখেতৰ সৈতে কথা পাতিব পাৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

0000000

অষ্টম চলচিত্ৰম ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ-২০২৪ কাইলৈ আৰু পৰহিলৈ গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অনুষ্ঠিত হ'ব। এই মহোৎসৱত ৫০ খন তথ্যচিত্ৰ আৰু চুটি ছবিৰ প্ৰদৰ্শন কৰা হ'ব। বিশ্ব সংবাদকেন্দ্ৰ,

অসমৰ সহযোগী অনুষ্ঠান চলচিত্ৰমৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ মূল বিষয়বস্তু হৈছে- **আমাৰ ঐতিহ্য আমাৰ গৌৰৱ**। মূল বিষয়বস্তুৰ উপৰি মহোৎসৱত ভূমি আৰু মানুহ, পৰ্যটন, কলা, হস্তশিল্প আৰু বস্ত্ৰ, পাণ্ডুলিপি আৰু পাণ্ডুলিপি চিত্ৰাংকন, চিত্ৰাংকন আৰু কাঠত খোদাই কৰা কলা, সংগীত আৰু সংগীতজ্ঞ, সাংস্কৃতিক উৎসৱ, স্মৃতি সৌধ আৰু ঐতিহ্যক্ষেত্ৰ, সমাজ সংস্কাৰক আৰু আগৰণুৱাসকলক, ক্ৰীড়া, চাহ আৰু তৈল উদ্যোগ, সংস্কৃতি আৰু মূল্যবোধ, সামাজিক সজাগতা, পৰিয়াল ব্যৱস্থা, মহিলা, পৰিৱেশ আদি বিষয়কো প্ৰাধান্য দিয়া হৈছে। কাইলৈ এই মহোৎসৱ কটন বিশ্ববিদ্যালয়ৰ উপচাৰ্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকাই উদ্বোধন কৰিব।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কৈছে যে, কালি মাজনিশা ওড়িশাৰ ভিটৰকনিকা ৰাষ্ট্ৰীয় উদ্যান আৰু ধামৰা বন্দৰৰ মাজৰ উপকূল ভাগত খুন্দা মৰা ডানা নামৰ ঘূৰ্ণী বতাহ জাক সম্প্ৰতি ওড়িশা আৰু পশ্চিমবংগৰ উপকূলভাগৰ দিশে অগ্ৰসৰ হৈছে। ভুৱনেশ্বৰৰ বতৰ বিজ্ঞান বিভাগৰ কাৰ্যালয়ে প্ৰকাশ কৰা মতে, ধুমুহাজাক ভূ-ভাগত প্ৰৱেশ কৰাৰ সময়ত ইয়াৰ গতিবেগ প্ৰতিঘণ্টাত ১২০ কিলোমিটাৰলৈ বৃদ্ধি পায়। প্ৰৱল ধুমুহা জাক দুৰ্বল হোৱালৈকে প্ৰায় ৩-৪ ঘণ্টা বতাহ জাকৰ প্ৰাবল্য একেদৰে থাকে। বতাহজাকৰ প্ৰভাৱত ওড়িশাৰ কেন্দ্ৰপাৰা আৰু ভদ্ৰক জিলাত ধাৰাষাৰ বৰষুণ হোৱা বুলি জানিব পৰা গৈছে। ময়ুৰভঞ্জ, কটক, জাজপুৰ, বালেশ্বৰ আৰু জগতসিঙপুৰ জিলা আৰু ইয়াৰ চৌপাশৰ এলেকাসমূহতো প্ৰৱল বৰষুণ দি আছে। স্থানীয় কৰ্তৃপক্ষসমূহক সৰ্তক কৰি দিয়া হৈছে আৰু বিপদৰ আশংকা থকা এলেকাসমূহক জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন মাঝিয়ে পৰিস্থিতি সক্ৰিয়ভাৱে নিৰীক্ষণ কৰি আছে।

ঘূৰ্ণী বতাহজাকৰ ফলত সমগ্ৰ অসমতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱা দেখা গৈছে।

০০০০০০০

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

সমাপ্ত